# প্ৰাকৃতিক অধিকাৰৰ তত্ত্ব
## [ THEORY OF NATURAL RIGHTS ]

অধিকাৰ সম্পৰ্কীয় তত্ত্বসমূহৰ ভিতৰত প্ৰাকৃতিক অধিকাৰৰ তত্ত্ব হৈছে আটাইতকৈ পুৰণি তত্ত্ব। এই তত্ত্ব ম... অধিকাৰ মানুহৰ জীৱনৰ অবিচ্ছেদ্য অংগ। মানুহৰ শৰীৰৰ বৰণ যেনেকৈ মানুহৰ জীৱনৰ লগত জৰিত, প্ৰাকৃতি... অধিকাৰো তেনেকৈ মানুহৰ জীৱনৰ লগত জৰিত। ইয়াৰ যথাৰ্থতাৰ কাৰণে কোনো ব্যাখ্যাৰ প্ৰয়োজন নাই।

প্ৰাচীন কালৰ পৰাই প্ৰাকৃতিক অধিকাৰৰ ধাৰণাৰ প্ৰচলন থকা দেখা যায়। উদাহৰণস্বৰূপে ষ্টইকসকলে (Stoic... মানুহৰ মাজত থকা সমতাৰ ধাৰণাৰ পৃষ্ঠপোষকতা কৰিছিল। অৰ্থাৎ তেওঁলোকে সমান অধিকাৰৰ ওপৰত গুৰু... দিছিল। ৰোমান চিন্তাবিদসকলৰ ভিতৰত ছিছেৰো (Cicero) আৰু পলিবিয়াছ (Polybius)-ৰ ওপৰত ষ্টইকসকল... প্ৰভাৱ পৰিছিল। সেয়েহে তেওঁলোকে মতপ্ৰকাশ কৰিছিল যে প্ৰাকৃতিক অধিকাৰৰ লগত সংগতি থকাকৈ চৰকাৰে আই... ৰচনা কৰা উচিত। মধ্যযুগৰ সময়ছোৱাত প্ৰাকৃতিক অধিকাৰক ভগৱানৰ দান হিচাবে ব্যাখ্যা কৰা হৈছিল। এই সময়ছোৱা... দেশ শাসনৰ বিষয়ত খ্ৰীষ্টান ধৰ্মগুৰু পোপৰ প্ৰভাৱ আছিল যথেষ্ট। সেয়েহে এই সময়ছোৱাত ভগৱানকেই আইনৰ স্ৰষ্টা হিচাপে অভিহিত কৰা হৈছিল।

প্ৰাচীন কালৰ পৰাই প্ৰাকৃতিক অধিকাৰৰ ধাৰণাৰ প্ৰচলন আছিল। যদিও, সপ্তদশ শতিকাৰ পৰাইহে এই ধাৰণাই ভালেখিনি প্ৰভাৱ বিস্তাৰ কৰা দেখা যায়। সামাজিক চুক্তিৰ পৃষ্ঠপোষকসকলে প্ৰাকৃতিক অধিকাৰৰ ধাৰণাক সমৰ্থন কৰিছিল। তেওঁলোকৰ মতে ৰাষ্ট্ৰৰ উৎপত্তিৰ আগতে মানুহে প্ৰাকৃতিক অৱস্থাত (State of Nature) বাস কৰিছিল আৰু প্ৰাকৃতিক অধিকাৰ ভোগ কৰিছিল। অৰ্থাৎ ৰাষ্ট্ৰৰ উৎপত্তিৰ আগতেই মানুহে অধিকাৰ ভোগ কৰাৰ সুবিধা পাইছিল। হব্‌ছ (Hobbes)-ৰ মতে সমাজ জীৱন আৰম্ভ হোৱাৰ আগতেই অধিকাৰৰ সৃষ্টি হৈছে (Pre-social)। ল'ক (Locke)-ৰ মতে ৰাজনৈতিক জীৱন আৰম্ভ হোৱাৰ আগতেই অধিকাৰৰ সৃষ্টি (Pre-Political) হৈছে।

জ'ন ল'কক (John Locke) প্ৰাকৃতিক অধিকাৰ তত্ত্বৰ প্ৰধান পৃষ্ঠপোষক হিচাবে অভিহিত কৰা হয়। তেওঁৰ মতে জীৱনৰ অধিকাৰ, স্বতন্ত্ৰতাৰ অধিকাৰ আৰু সম্পত্তিৰ অধিকাৰ হৈছে অত্যন্ত প্ৰয়োজনীয় প্ৰাকৃতিক অধিকাৰ। এই অধিকাৰসমূহক ৰক্ষণা-বেক্ষণ দিয়াই হৈছে ৰাষ্ট্ৰৰ প্ৰধান কৰ্তব্য। এই অধিকাৰসমূহক ৰক্ষণা-বেক্ষণ দিয়াৰ উদ্দেশ্যেই সামাজিক চুক্তিৰ জৰিয়তে ৰাষ্ট্ৰৰ সৃষ্টি কৰা হৈছে। চৰকাৰে এই অধিকাৰসমূহক ৰক্ষণা-বেক্ষণ দিব নোৱাৰিলে জনসাধাৰণে আন চৰকাৰক শাসনৰ দায়িত্ব দিব পাৰে। অৰ্থাৎ ল'কে প্ৰতিৰোধৰ অধিকাৰ (Right to Resist) সমৰ্থন কৰিছিল।

অষ্টাদশ শতিকাতো প্ৰাকৃতিক অধিকাৰৰ প্ৰতি সমৰ্থন থকা দেখা যায়। উদাহৰণস্বৰূপে থমাছ পেইনে (Thomas Paine) সামাজিক চুক্তিতত্ত্ব সমৰ্থন কৰা নাছিল যদিও স্বতন্ত্ৰতাৰ অধিকাৰ, সম্পত্তিৰ অধিকাৰ, নিৰাপত্তাৰ অধিকাৰ

Scanned by CamScanner

আৰু অত্যাচাৰ প্ৰতিৰোধৰ অধিকাৰক প্ৰাকৃতিক অধিকাৰৰ সৃষ্টি হিচাপে অভিহিত কৰিছিল। স্পেন্সাৰ (Spencer)-ৰ মতে প্ৰত্যেক ব্যক্তিৰে সমান স্বাধীনতা ভোগ কৰাৰ অধিকাৰ আছে আৰু আনৰ স্বাধীনতাত বাধাৰ সৃষ্টি নকৰাকৈ অধিকাৰ ভোগ কৰিব পাৰে। আমেৰিকাৰ স্বাধীনতাৰ ঘোষণা-পত্ৰটো প্ৰাকৃতিক অধিকাৰৰ (Declaration of Independence, 1776) বিষয়ে উল্লেখ কৰা আছে। এই ঘোষণাত উল্লেখ কৰা আছে যে ভগৱানে সকলো মানুহকে সমান হিচাবে সৃষ্টি কৰিছে আৰু কিছুমান অধিকাৰ ভোগ কৰাৰ সুবিধা দিছে। এই অধিকাৰৰ ভিতৰত জীৱনৰ অধিকাৰ, স্বতন্ত্ৰতাৰ অধিকাৰ আৰু সুখ লাভৰ অধিকাৰ হৈছে অন্যতম। এই অধিকাৰসমূহক ৰক্ষণা-বেক্ষণ দিয়াৰ উদ্দেশ্যে ৰাষ্ট্ৰৰ সৃষ্টি কৰা হৈছে। যি চৰকাৰে এই দায়িত্ব পালন কৰিব নোৱাৰে, তেনে চৰকাৰক ক্ষমতাচ্যুত কৰি জনসাধাৰণে নতুন চৰকাৰক ক্ষমতাত অধিষ্ঠিত কৰিব পাৰে। ফ্ৰান্সৰ অধিকাৰ ঘোষণা-পত্ৰটো প্ৰাকৃতিক অধিকাৰৰ (Declaration of Rights of man) বিষয়ে উল্লেখ কৰা আছে। এই ঘোষণা-পত্ৰত উল্লেখ কৰা মতে মানুহে সমান হিচাপে জন্মগ্ৰহণ কৰে আৰু মানুহে সমান অধিকাৰ ভোগ কৰিব পাৰে। সেয়েহে প্ৰত্যেক চৰকাৰে মানুহৰ এই প্ৰাকৃতিক অধিকাৰক ৰক্ষণা-বেক্ষণ দিয়া উচিত।

**মূল্যায়ন (Evaluation) ঃ** সপ্তদশ আৰু অষ্টাদশ শতিকাত প্ৰাকৃতিক অধিকাৰ সম্পৰ্কীয় তত্ত্বই ভালেখিনি প্ৰচাৰ বিস্তাৰ কৰিছিল। সাম্প্ৰতিক কালতো এই তত্ত্বৰ প্ৰভাৱ নাই বুলি ক'ব নোৱাৰি, কিয়নো পৃথিৱীৰ বিভিন্ন অঞ্চলত এতিয়াও আহাৰ, বাসস্থান আৰু পৰিধানৰ অধিকাৰ, কামৰ অধিকাৰ, ভোটদানৰ অধিকাৰ আদিৰ ওপৰত গুৰুত্ব দিয়া হয় আৰু এইবোৰ অধিকাৰক প্ৰাকৃতিক অধিকাৰ হিচাপে বিবেচনা কৰা হয়। তথাপিও প্ৰাকৃতিক অধিকাৰৰ তত্ত্বৰ সীমাবদ্ধতা নোহোৱা নহয়। এই তত্ত্বৰ বিৰুদ্ধে তলত দিয়া ধৰণৰ অভিযোগ উত্থাপন কৰা হয় ঃ

(১) প্ৰকৃতি আৰু প্ৰাকৃতিক এই শব্দ দুটা বিভিন্ন অৰ্থত ব্যৱহাৰ কৰিব পৰা যায়। অধ্যাপক ৰিটছে (Ritchie) এই শব্দ দুটা বিভিন্ন অৰ্থত ব্যৱহাৰ কৰাৰ উদাহৰণ দাঙি ধৰিছে। সেয়েহে প্ৰকৃতি আৰু প্ৰাকৃতিক শব্দ দুটা কোন অৰ্থত ব্যৱহাৰ কৰা হয়, সেইটো স্পষ্ট নহয়।

(২) প্ৰাকৃতিক শব্দটো কৃত্ৰিম শব্দৰ বিপৰীত হিচাপেও ব্যৱহাৰ কৰিব পাৰি। সেয়েহে এই শব্দৰ অৰ্থ স্পষ্ট নহয়। অধ্যাপক হকিংছ (Hocking)-ৰ মতে কৃত্ৰিম হোৱাটো মানুহৰ প্ৰকৃতি। এসময়ত পোছাকৰ ব্যৱস্থা প্ৰাকৃতিক নাছিল, কিন্তু সাম্প্ৰতিক কালত ইয়াক প্ৰাকৃতিক হিচাপে বিবেচনা কৰা হয়। প্ৰাচীন কালত বৰ্বৰ জীৱন-যাপন কৰাটো যেনেকৈ মানুহৰ প্ৰকৃতি আছিল, আজিৰ যুগত সভ্য জীৱন-যাপন কৰাটো তেনেকৈ মানুহৰ প্ৰকৃতি।

(৩) প্ৰাকৃতিক অধিকাৰে কি বুজায়, সেই বিষয়তো মতভেদ নথকা নহয়। প্ৰাকৃতিক অধিকাৰৰ সৰ্বসন্মত তালিকা প্ৰস্তুত কৰাটো সম্ভৱ নহয়। কিছুমানে দাস ব্যৱস্থাক প্ৰাকৃতিক ব্যৱস্থা হিচাপে বিবেচনা কৰে, কিন্তু আন কিছুমানে ইয়াক প্ৰকৃতি বিৰোধী হিচাপে অভিহিত কৰে। কিছুমানৰ মতে মহিলা আৰু পুৰুষৰ মাজত বিশেষ প্ৰভেদ নাই; কিন্তু আন কিছুমানৰ মতে তেওঁলোকৰ প্ৰকৃতি একে ধৰণৰ নহয়। কিছুমানৰ মতে মানুহ ভাল প্ৰকৃতিৰ; কিন্তু আন কিছুমানৰ মতে মানুহ প্ৰকৃততে দুষ্ট। এনেবোৰ উদাহৰণৰ পৰা সিদ্ধান্তলৈ আহিব পাৰি যে প্ৰাকৃতিক অধিকাৰৰ বিষয়ত বিশেষজ্ঞসকল একমত নহয়।

(৪) প্ৰাকৃতিক অধিকাৰ বুলিলে যি অধিকাৰক বুজোৱা হয়, সেই অধিকাৰবোৰৰ মাজত সংঘাট নথকা নহয়। উদাহৰণস্বৰূপে সমতা আৰু স্বতন্ত্ৰতাক মানুহৰ চৰম অধিকাৰ হিচাবে বিবেচনা কৰা হয় কিন্তু বাস্তৱ ক্ষেত্ৰত চৰম সমতা আৰু চৰম স্বতন্ত্ৰতা কেতিয়াও একেলগে থাকিব নোৱাৰে। সমতা প্ৰতিষ্ঠা কৰাৰ চেষ্টাৰ ফলত স্বতন্ত্ৰতা ব্যাহত হয় সেইদৰে স্বতন্ত্ৰতা ভোগৰ কাৰ্যই সমতা প্ৰতিষ্ঠাত বাধাৰ সৃষ্টি কৰে।

(৫) প্ৰাকৃতিক অধিকাৰ সম্পৰ্কীয় তত্ত্বৰ গুৰুত্বপূৰ্ণ আসোঁৱাহ এই যে এই তত্ত্ব মতে সমাজ অবিহনেও মানুহৰ অধিকাৰ থাকিব পাৰে কিন্তু এনে ধাৰণা গ্ৰহণযোগ্য নহয়। সমাজবদ্ধ মানুহ হিচাবেহে মানুহে অধিকাৰ ভোগ কৰিব পাৰে। সমাজৰ পৰাই অধিকাৰ পোৱা যায় আৰু ৰাষ্ট্ৰই সেই অধিকাৰক স্বীকৃতি দিয়ে। গতিকে ৰাজনৈতিক জীৱন আৰম্ভ হোৱাৰ আগতে নাইবা সমাজ জীৱন আৰম্ভ হোৱাৰ আগতে অধিকাৰ থকাটো কেতিয়াও

Scanned by CamScanner

গ্ৰহণযোগ্য নহয়। মানুহৰ যি দাবীক সমাজে অনুমোদন কৰে আৰু ৰাষ্ট্ৰই স্বীকৃতি দিয়ে, সেই দাবীকহে অধিকাৰ হিচাবে অভিহিত কৰা হয়।

**গুৰুত্ব** (Importance) ঃ প্ৰাকৃতিক অধিকাৰ সম্পৰ্কীয় তত্ত্বৰ বিৰুদ্ধে ওপৰত দিয়া ধৰণে অভিযোগ উত্থাপন কৰ হয় যদিও, এই তত্ত্বটো গুৰুত্বহীন হিচাবে বিবেচনা কৰা উচিত নহয়। প্ৰাকৃতিক অধিকাৰৰ জৰিয়তে যদি এনে কিছুমান অধিকাৰক বুজোৱা হয় যি অধিকাৰ অতীততে আমাৰ আছিল আৰু এতিয়া হেৰুৱাইছো, তেতিয়াহ'লে ইয়াৰ কোনে গুৰুত্ব নাথাকে। কিন্তু প্ৰাকৃতিক অধিকাৰৰ জৰিয়তে যদি এনে কিছুমান অধিকাৰক বুজোৱা হয় যিবোৰৰ অবিহনে ব্যক্তিৰ সৰ্বোচ্চ বিকাশ সম্ভৱ নহয়, তেতিয়াহ'লে ইয়াৰ গুৰুত্ব থকাটো স্বীকাৰ কৰিব লাগিব। গ্ৰীণে প্ৰাকৃতিক অধিকাৰ এনে ব্যাখ্যাই আগবঢ়াইছিল। ৰাজনৈতিক চিন্তাধাৰাৰ বিকাশত এই তত্ত্বৰ গুৰুত্ব আছে। এই অধিকাৰৰ ফলতেই অষ্টাদ শতিকাত আমেৰিকা আৰু ইউৰোপত স্বাধীনতাৰ সমতা আৰু গণতন্ত্ৰৰ ধাৰণাৰ প্ৰচাৰ হৈছিল। এই অধিকাৰৰ ধাৰণ দৈৱিক অধিকাৰৰ তত্ত্বৰ প্ৰভাৱ নাইকিয়া কৰিছিল। এই অধিকাৰে দেশৰ জনসাধাৰণক চৰকাৰ পৰিবৰ্তনৰ ক্ষমতা দিয়ে সেয়েহে এই তত্ত্বৰ কিছুমান আসোঁৱাহ আছে যদিও, ইয়াক গুৰুত্বহীন হিচাবে বিবেচনা কৰাটো উচিত নহয়।

Scanned by CamScanner